# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১২ মাৰ্চত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ اَلرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আগৰে পৰাই হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা ধাৰাবাহিক ভাৱে চলি আহিছে। হজৰত উচমান (ৰাঃ)ৰ মৃত্যু বৰণ কৰাৰ প্ৰায় এবছৰ আগত যেতিয়া জীৱনৰ শেষ হজ কৰিছিল, তেতিয়াৰ পৰাই কলহ প্ৰিয় লোক সকলে মূৰ দাঙি উঠিবলৈ (চেষ্টা) আৰম্ভ কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উচমান (ৰাঃ) য়ে হজৰ পৰা ওভতি আহোঁতে হজৰত মোৱাবিয়া (ৰাঃ)য়েও তেখেত (ৰাঃ)ৰ লগত মদিনালৈ আহিছিল। হজৰত মোৱাবিয়া (ৰাঃ)য়ে পৃথক ভাৱে হজৰত উচমান (ৰাঃ)ক লগ ধৰি আবেদন জনাইছিল যে বিবাদৰ আশঙ্কা বাঢ়ি গৈ আছে যেন পাইছো, আপুনি মোৰ লগত স্বামলৈ (ছিৰিয়ালৈ) বলক; কাৰণ স্বামত সকলো ফালেৰে নিৰাপত্তা আছে আৰু কোনো ধৰণৰ কাজিয়া তাত নাই। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে তেখেতক উত্তৰ দিছিল যে মই ৰছুলে কৰিম (ছাঃ)ৰ লগৰীয়া (প্ৰতিবেশী) সকলক কোনো মতেই এৰি যাব নোৱাৰো যদিও মোৰ শৰীৰক টুকুৰা-টুকুৰ কৰি পেলোৱা হয়। হজৰত মোৱাবিয়া (ৰাঃ)য়ে আকৌ পৰামৰ্শ দিছিল যে তেন্তে আপুনি মোক অনুমতি দিয়ক যে মই আপোনাৰ নিৰাপত্তাৰ বাবে স্বামৰ সৈন্যৰ এটা দল পঠিয়াও দিওঁ। কিন্তু হজৰত উচমান (ৰাঃ)য়ে তাৰ উত্তৰ দিছিল যে নহয়! মই এক উচমানৰ প্ৰাণৰ নিৰাপত্তাৰ বাবে ইমান ডাঙৰ বোজা বায়তুল মালৰ ওপৰত জাপি দিব নোৱাৰো আৰু মই মদিনাৰ লোক সকলক এই ফৌজৰ বোজা বহন কৰি অভাৱত পেলোৱা পছন্দ নকৰো। এয়া শুনি হজৰত মোৱাবিয়া (ৰাঃ)য়ে আৰজ কৰিছিল যে তেন্তে মোৰ ফালৰ পৰা তৃতীয়টো পৰামৰ্শ হ'ল এয়া যে চাহাবা সকলৰ উপস্থিতিত লোকে সাহস কৰিব যে যদি উচমান নেথাকে তেন্তে তেওঁলোকৰ মাজৰ পৰা কোনোবা এজনক আগলৈ থিয় কৰাই ল'ব। গতিকে তেওঁলোকক বিভিন্ন দেশলৈ স্থানান্তৰ কৰি দিয়ক। হজৰত উচমান (ৰাঃ)য়ে ইয়াৰ উত্তৰত কৈছিল যে এয়া কেনেকৈ সম্ভৱ হ'ব পাৰে যে যিসকল লোকক ৰছুলে কৰিম (ছাঃ)য়ে একগোট কৰিছে মই তেওঁলোকক ছেদেলি-ভাদেলি কৰি দিওঁ। কথাবোৰ শুনি হজৰত মোৱাবিয়া (ৰাঃ)য়ে কান্দি উঠিছিল আৰু আবেদন জনাইছিল যে যদি আপুনি মোৰ এইবোৰ পৰামৰ্শ গ্ৰহণ নকৰে তেন্তে কমপক্ষে ইমান খিনি কৰক যে লোকৰ মাজত এয়া

ঘোষণা কৰি দিয়ক যে যদি মোৰ প্ৰাণৰ কোনো ক্ষতি হয় তেন্তে মোৱাবিয়াক মোৰ ফালৰ পৰা প্ৰতিশোধ লোৱাৰ অধিকাৰ থাকিব। সম্ভৱত বিদ্ৰোহী সকলে ইয়ালৈ ভয় কৰি চয়তানী কৰা পৰিহাৰ কৰিব। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কৈছিল যে হে মোৱাবিয়া, যি হ'বলৈ আছে হৈ যাব, মই এনেকুৱা কৰিব নোৱাৰো যে আপুনি মুছলমান সকলৰ ওপৰত কঠোৰতা অৱলম্বন কৰিব। এয়া শুনি হজৰত মোৱাবিয়া (ৰাঃ)য়ে কান্দি কান্দি এখেত (ৰাঃ)ৰ কাষৰ পৰা উঠি গৈছিল আৰু কৈছিল যে মই বুজি পাইছো আপোনাৰ সৈতে সম্ভৱত এয়াই মোৰ শেষ সাক্ষাৎ আৰু বাহিৰলৈ ওলাই আহি চাহাবা সকলক কৈছিল যে ইছলামৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব এতিয়া আপোনালোকৰ ওপৰত,হজৰত উচমান (ৰাঃ) এতিয়া সম্পূৰ্ণ দুৰ্বল হৈ পৰিছে আৰু বিবাদ বাঢ়ি গৈ আছে। আপোনালোকে তেখেতৰ ফালে লক্ষ্য ৰাখিব; এই বুলি হজৰত মোৱাবিয়া স্বামৰ ফালে গুচি গৈছিল।

হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ আগমুহূৰ্তৰ বিবাদ আৰু তেখেতৰ শ্বাহাদতৰ ঘটনা বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যদিও বিদ্ৰোহী সকলে দেখ-দেখকৈ জয়লাভ কৰিছিল তথাপি তেওঁলোকে শেষবাৰলৈ চতুৰালিৰে  এজন লোকক হজৰত উচমান (ৰাঃ)ৰ ওচৰলৈ পঠাই দিয়ে যে তেখেতে যেন খিলাফতৰ আসন ইচ্ছাকৃত ভাৱে এৰি দিয়ে; কাৰণ তেওঁলোকে ভাৱিছিল যে যদি তেখেত (ৰাঃ)য়ে নিজে নিজে খিলাফতৰ পৰা আঁতৰি যায় তেন্তে মুছলমান সকলে তেওঁলোকক শাস্তি দিবলৈ কোনো ধৰণৰ অধিকাৰ বা সুবিধা নাপাব। হজৰত উচমান (ৰাঃ)য়ে সেই বাৰ্তাবাহকক কৈছিল যে মই যেতিয়া অজ্ঞ আছিলো, তেতিয়াই পাপক বৰ্জন কৰি চলিছো আৰু মই ইছলাম গ্ৰহণ কৰাৰ পিছত ইছলামৰ কোনো আদেশ ভঙ্গ কৰা নাই। মই কিয় আৰু কোন দোষৰ বাবে এই পদবী এৰি দিম, যিটো খোদা তা'লাই মোক প্ৰদান কৰিছে। মই সেই পিৰহান (ঢিলা চোলা) কেতিয়াও সোলোকাই নথওঁ যিটো খোদা তা'লাই মোক পিন্ধাই দিছে। উক্ত বাৰ্তা বাহকজনে এনেবোৰ কথা শুনি ওভতি গৈছিল আৰু নিজৰ লগৰীয়া সকলক গৈ এনেদৰে কৈছিল যে খোদা তা'লাৰ শপত,আমি বৰ জটিল সমস্যাত পৰি গৈছো; খোদাৰ শপত !  মুছলমান সকলৰ আয়ত্বাধীনত পৰা হজৰত উচমান (ৰাঃ)ক হত্যা কৰাৰ বাহিৰে আমাৰ আৰু জীয়াই থকাৰ উপায় নাই। তেতিয়া তেওঁলোকে পৰিকল্পনা ৰচিছিল যে হজৰত উচমান (ৰাঃ)ৰ কোনো এজন প্ৰতিবেশীৰ ঘৰৰ দেৱাল ভেদ কৰি গৈ তেখেতক হত্যা কৰিব। যেতিয়া এই ঘাতক সকলে ভিতৰলৈ সোমাই গৈছিল, তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কোৰ-আন পঢ়ি আছিল। সেই দিনাখন শত্ৰু সকলে ঘৰত প্ৰৱেশ কৰাৰ আগত হজৰত উচমান (ৰাঃ)য়ে দুজন লোকক ধন ভঁৰালৰ ৰক্ষণা-বেক্ষণাৰ বাবে নিযুক্ত কৰিছিল। কাৰণ এয়া উল্লেখ আছে যে সেই দিনাখন ৰাতি হজৰত উচমান (ৰাঃ)য়ে সপোনত ৰছুলে কৰিম (ছাঃ)ক দেখা পাইছিল আৰু তেখেত (ছাঃ)য়ে কৈছিল যে উচমান ! আজি আবেলি আমাৰ লগত (ৰোজা) ইফতাৰ কৰিবা। এই সপোনটো দেখা পাই হজৰত উচমান (ৰাঃ)য়ে নিশ্চিত হৈছিল যে আজি মই শ্বহীদ হৈ যাম। আক্ৰমণকাৰী সকলৰ মাজৰ পৰা এজন লোকে আগুৱাই আহি এডাল লোৰ তাৱাৰে হজৰত উচমান (ৰাঃ)ৰ মূৰত প্ৰহাৰ কৰে আৰু হজৰত উচমান (ৰাঃ)ৰ সন্মুখত থকা কোৰ-আন খন ভৰিৰে গোৰ মাৰি আঁতৰাই দিয়ে। কিন্তু সেই কোৰ-আন খন পিছল খাই হজৰত উচমান (ৰাঃ)ৰ কাষলৈ আহি গৈছিল। আৰু তেখেত (ৰাঃ)ৰ মূৰৰ পৰা ওলোৱা তেজৰ টোপালবোৰ সেই কোৰ-আন খনৰ ওপৰত পৰিছিল। যিটো আয়াতৰ ওপৰত তেখেতৰ তেজৰ টোপাল পৰিছিল সেই আয়াতৰ এটা গুৰুত্বপূৰ্ণ ভৱিষ্যদ্বাণীৰ উল্লেখ আছে; যিটো নিজৰ সময় মতেই এনেকুৱা শক্তিশালী ভাৱে পূৰ্ণ হৈছে যে কঠিনতকৈ কঠিন হৃদয়ৰ লোকেও সেই তেজ লাগি থকা আখৰবোৰ দেখিলে চকু মুদি ল'ব। সেই আয়াতটো হ'ল

فَسَيَكْفِيكَهُمُ اللّٰهُ ۚ وَهُوَ السَّمِيْعُ الْعَلِيْمُ

আল্লাহ তা'লা নিশ্চয় সিহঁতৰ ওপৰত তোমাৰ প্ৰতিশোধ ল'ব আৰু সি বহুত শুনোতা আৰু সৰ্বজ্ঞাত। ইয়াৰ পিছত আৰু এজন লোকে হজৰত উচমান (ৰাঃ)ৰ ফালে আগুৱাই আহি তৰোৱালেৰে আক্ৰমণ চলায় আৰু আঘাত হানোতেই তেখেত (ৰাঃ)য়ে শুধা হাতেৰে বাধা দিয়ে। যাৰ ফলত তেখেত (ৰাঃ)ৰ হাত কাটি গৈছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কৈছিল, খোদা তালাৰ শপত ! এয়া সেই হাত যিয়ে সৰ্বপ্ৰথমে কোৰ-আন কৰিম লিখিছে। ইয়াৰ পিছত শত্ৰুজনে আকৌ আঘাত হানি তেখেত (ৰাঃ)ক মাৰি পেলাব বিচাৰে এনেতে হজৰত উচমান (ৰাঃ)ৰ পত্নী নায়লা ঘটনাস্থলীত গৈ উপস্থিত হয় আৰু গিৰীয়েকক বচাবলৈ নিজকে তৰোৱালৰ আগত থিয় কৰাই দিয়ে; তথাপি সেই দুৰ্ভগীয়া বিদ্ৰোহী জনে এজনী মহিলাৰ ওপৰত আঘাত হানিবলৈ কুণ্ঠাবোধ কৰা নাছিল; আৰু সেই আঘাতত নায়লাৰ হাতৰ আঙুলি কাটি গৈছিল আৰু তাই পৃথক হৈ পৰিছিল। তাৰ পিছত আকৌ তেওঁ হজৰত উচমান (ৰাঃ)ৰ শৰীৰত তৰোৱালেৰে আৰু এটা ঘাপ মাৰি বেয়াকৈ ক্ষত কৰি পেলাইছিল। ইমানখিনি কৰাৰ পিছত সেই দুৰ্ভগীয়া শত্ৰুজনে ধাৰণা কৰিছিল যে এতিয়াও হজৰত উচমানৰ প্ৰাণ বায়ু ওলাই যোৱা নাই,সেয়ে তেওঁ এখেত (ৰাঃ)ৰ টেটু চেপি ধৰিছিল আৰু সেই সময়লৈকে এৰি দিয়া নাছিল যেতিয়ালৈকে এখেত (ৰাঃ)ৰ ৰূহ মোবাৰক মাটিৰ দেহাখন এৰি ৰছুলে কৰিম (ছাঃ)ৰ আমন্ত্ৰণত সহাৰি জনাই বিশ্ব প্ৰতিপালকৰ সান্নিধ্যলৈ গুচি যোৱা নাছিল। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন, লগে লগেই ইছলামী হুকুমতৰ (শাসন) সিংহাসন খলিফা বিহীন হৈ পৰিছিল। মদিনাৰ বাসিন্দা সকলে আৰু কিবা চেষ্টা কৰাটো অযথা চেষ্টা হ'ব বুলি ভাৰি প্ৰত্যেকেই নিজৰ নিজৰ ঘৰত গৈ বহি পৰিছিল। বিদ্ৰোহী হত্যাকাৰী সকলে হজৰত উচমান (ৰাঃ)ৰ ঘৰত পৰিয়াল বৰ্গৰ ওপৰত জুলুম অত্যাচাৰ কৰা আৰম্ভ কৰিছিল। হজৰত উচমান (ৰাঃ)ৰ পত্নীয়ে ঘৰ এৰি গুচি যাব এনেতে শত্ৰু সকলে তাৰ পৰা গুচি যোৱাৰ সময়ত তেওঁলোকৰ এজন দুৰ্ভগীয়াই নিজৰ লগৰীয়াৰ সৈতে হজৰত উচমান (ৰাঃ)ৰ পত্নী নায়লাৰ সম্পৰ্কে বৰ বেয়া ভাষাৰে কথোপকথন কৰিছিল। তেওঁলোকৰ নিৰ্লজতা ইমানেই বাঢ়ি গৈছিল যে কোনো ধৰণৰ গৰ্হিত কামেই তেওঁলোকে কৰিবলৈ এৰি দিয়া নাছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে খোদা তা'লা মোক বৰ ডাঙৰ মৰ্যাদাৰ স্থান দান কৰিছে,মই তালৈ গৌৰৱ অনুভৱ কৰো। কিন্তু মোৰ অন্তৰে বিচাৰে যে হায় ! যদি মই সেই সময়ত থাকিলোহেঁতেন আৰু এতিয়া নাথাকিল হয় তেন্তে মই সেই লোক সকলক কাটি টুকুৰা-টুকুৰ কৰিলোঁহেঁতেন। তেওঁলোকে হজৰত আয়শা (ৰাঃ) কও অপদস্থ অপমান কৰিছিল।

হজৰত উচমান (ৰাঃ)ৰ সৈতে যিবোৰ আচৰণ আৰু ঘটনা সংগঠিত কৰা হৈছিল, সেইবোৰৰ পৰা অনুমান কৰিব পাৰি যে তেখেতে সেই বিলাকলৈ কেতিয়াও ভয় কৰা নাছিল যে তাৰ লগত কেনে আচৰণ কৰা হৈ আছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে যদি আমি প্ৰজ্ঞাৰে সৈতে বিচাৰ-বিবেচনা কৰো তেন্তে আমি গম পাম যে এয়া এটা মহান মৰ্যাদা সম্পন্ন ছিলছিলা অৰ্থাৎ ছিলছিলা খিলাফৎ। মই বেলেগৰ বিষয়ে একো নাজানো কিন্তু কমপক্ষে হলেও মোৰ বিষয়ে মই জানো যে ৰছুলে কৰিম (ছাঃ)ৰ যুগৰ ইতিহাস পঢ়াৰ পিছত যেতিয়া মই হজৰত উচমান (ৰাঃ)ৰ ওপৰত হোৱা বিপদবোৰ লক্ষ্য কৰো আৰু আনফালে যদি সেই আলোক আৰু আধ্যাত্মিকতা বোৰলৈ লক্ষ্য কৰো, যিবোৰ ৰছুলে কৰিম (ছাঃ)য়ে আহি তেখেতৰ মাজত জন্ম দিয়াইছিল, তেন্তে মই এইবোৰ চাই ক'ব পাৰো আৰু যে যদি জগতত মোৰ দহ হেজাৰ বংশধৰ জন্ম ললেহেঁতেন আৰু সেই সকলো বিলাকক একেলগ কৰি কোৰবাণী কৰা হ'লহেঁতেন আৰু তাৰ ফলস্বৰূপে যদি এই বিবাদৰ অন্ত পৰিলহেঁতেন, তেন্তে মই ভাৱো যে এয়া এতি সামান্য যাৰ বিনিময়ত হাতী কিনি লোৱা হ'ল।

হজৰত উমৰ (ৰাঃ)ৰ পিছত সকলো চাহাবা (ৰাঃ) ৰ দৃষ্টি খিলাফতৰ আসনত বহিবলৈ হজৰত উচমান (ৰাঃ)ৰ ওপৰত পৰিছিল। তেখেত (ৰাঃ) য়ে ডাঙৰ চাহাবা সকলৰ পৰামৰ্শ মতেই এই দায়িত্ব পালনাৰ্থে নিৰ্বাচিত হৈছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে আঁ-হজৰত (ছাঃ)ৰ দৃষ্টিত এখেত (ৰাঃ) বিশেষ মৰ্যাদা সম্পন্ন স্থানৰ অধিকাৰী আছিল। এখেত ৰছুলে কৰিম (ছাঃ)ৰ জোৱাই আছিল আৰু এজনীৰ পিছত এজনীকৈ আঁ-হজৰত (ছাঃ)ৰ দুজনী জীয়েকক বিয়া কৰাইছিল। হজৰত উচমান (ৰাঃ) মক্কাৰ বাসিন্দা সকলৰ দৃষ্টিত বৰ প্ৰশংসনীয় উচ্চ মৰ্যাদা সম্পন্ন ব্যক্তি আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰাৰ পিছত যিসকল বিশেষ লোকক ইছলামৰ তবলিগ কৰিবলৈ স্থিৰ কৰিছিল তেওঁলোকৰ মাজত এজন আছিল হজৰত উচমান (ৰাঃ)। স্বয়ং ৰছুলুল্লাহ (ছাঃ)য়ে এখেত (ৰাঃ)ক বৰ সন্মান কৰিছিল। এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে শুই থাকোতে হজৰত আবু বক্কৰ (ৰাঃ)য়ে আহি ৰছুলুল্লাহ (ছাঃ)ৰ কাষত উপস্থিত হৈছিল। কিন্তু তেখেত (ছাঃ)য়ে তেনেদৰেই শুই আছিল। ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে আহিছিল, তেতিয়াও ৰছুলুল্লাহ (ছাঃ)য়ে শুইয়ে আছিল। কিন্তু যেতিয়া হজৰত উচমান (ৰাঃ)য়ে আহি উপস্থিত হৈছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে তৎক্ষণাত নিজৰ গাৰ কাপোৰ ঠিক-ঠাক কৰি লৈ পেলাই কৈছিল যে হজৰত উচমান (ৰাঃ) বৰ লাজকুৰীয়া স্বভাৱৰ, গতিকে মই তাৰ উপস্থিতিৰ গম পাই আৰু তাৰ অনুভূতিৰ ফালে লক্ষ্য কৰি এনেকুৱা কৰিছোঁ। হজৰত উচমান (ৰাঃ)সেইবিলাক সজ ব্যক্তি সকলৰ মাজত এজন আছিল যিসকলে ইছলাম গ্ৰহণ কৰাৰ আগতেও কেতিয়াও সুৰা পানত মুখ দিয়া নাছিল,আৰু অবৈধ দৈহিক সম্ভোগতত লিপ্ত হোৱা নাছিল, সৰ্বোত্তম চৰিত্ৰ বিশিষ্ট লোক আছিল। আঁ-হজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ৰ ওপৰত বৰকৈয়ে সন্তুষ্ট আছিল। হজৰত উমৰ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ক সেই ছয়জন লোকৰ মাজত এজন বুলি গন্য কৰিছিল; যিসকলে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ সময়লৈকে তেখেত (ছাঃ)ৰ সন্তুষ্টিক জয় কৰি ৰাখিছিল। এখেত (ৰাঃ) সুসংবাদ প্ৰাপ্ত দহজনৰ মাজত এজন আছিল।

হজৰত উচমান (ৰাঃ)য়ে সোতৰ নাইবা ওঠৰ জিলহজ্ব চন ৩৫ হিজৰীৰ শুক্ৰবাৰ দিনা নমাজে আছৰৰ পিছত ৪২ বছৰ বয়সত ৰোজা ৰাখি থকা অৱস্থাত আছিল। হজৰত জাবিৰ বিন মুতাম (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল। হজৰত উচমান (ৰাঃ)ক শনিবাৰ দিনা ৰাতি মগৰিবৰ আৰু ইশাৰ নমাজৰ মাজৰ সময় ছোৱাত হশকোকাব নামক ঠাইত দফন কৰা হৈছিল। এয়া জান্নাতুল বকিৰ নিচেই ওচৰতে থকা এখন ঠাই। হজৰত উচমান (ৰাঃ)য়ে মাজে মাজে কৈ থাকিছিল যে নিশ্চয় এজন সাধু পুৰুযে মৃত্যু বৰণ কৰিব আৰু তাক ইয়াতে দফন কৰা হ'ব আৰু লোকে তাক অনুসৰণ কৰি চলিব। হজৰত উচমান (ৰাঃ)ৰ অন্তোষ্টিক্ৰিয়া (দফন-কফন) সম্পৰ্কে আন এটা ৰিৱায়ত আছে যে বিদ্ৰোহী সকলে তিনি দিনলৈকে হজৰত উচমান (ৰাঃ)ৰ দেহ মোবাৰক দফন কৰিবলৈ দিয়া নাছিল। পিছত হজৰত আলি (ৰাঃ)ৰ চেষ্টাত দফন কাৰ্য সমাধা কৰা হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আৰু অলপ বাকী থাকিল। ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় মৌলবী মহম্মদ ইদ্ৰিছ তেৰু চাহাব। (মোবাল্লিগ ছিলছিলা আইভৰি কোষ্ট) মাননীয়া আমিনা নায়েগা কাৰে চাহিবা (উগান্ডা) মাননীয় নুহি কজক চাহাব (স্বাম) মাননীয়া ফুৰহত নছিম চাহিবা (ৰাবোৱা) আদিৰ পৱিত্ৰ গুণাৱলীৰ চমু বৰ্ণনা দিয়ে আৰু নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ـ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 12 MARCH 2021**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**